**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 08-10-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ যশোভূমিত ইণ্ডিয়া মোবাইল কংগ্ৰেছ- আই এম চিৰ দশম সংস্কৰণ উদ্বোধন কৰিব।

২। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ অধ্যক্ষতাত আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত ৫৭ সংখ্যক জি এছ টি পৰিষদৰ বৈঠক অনুষ্ঠিত হ'ব।

৩। নতুন দিল্লীত আজি মহিলা আৰু শিশু বিকাশ বিষয়ত বিভাগীয় সন্মিলন অনুষ্ঠিত হ'ব।

৪। আজি ৯৪ সংখ্যক ভাৰতীয় বায়ুসেনা দিৱস। *আৰু*

৫। ইজিপ্তৰ কাইৰ'ত আজিৰে পৰা বছৰটোৰ চতুৰ্থ তথা অন্তিমখন আই এছ এছ এফ বিশ্বকাপ শ্বুটিং প্ৰতিযোগিতা আৰম্ভ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ যশোভূমিত আয়োজিত ইণ্ডিয়া মোবাইল কংগ্ৰেছ- আই এম চিৰ দশম সংস্কৰণ উদ্বোধন কৰিব। এই কাৰ্যসূচীত ভাৰতৰ টেলি কমিউনিকেচন, ডিজিটেল যোগাযোগ আৰু প্ৰযুক্তিগত উদ্ভাৱনসমূহৰ প্ৰগতিক প্ৰতিফলিত কৰা হ'ব। ইয়াৰ লগতে এই কাৰ্যসূচী সমন্বয়, বিনিয়োগ আৰু জ্ঞান বিনিময়ৰ এখন গোলকীয় মঞ্চ হিচাপে পৰিগণিত হ'ব। আই এম চি ২০২৬ বিষয় হৈছে- স্কেল উইডাওথ বাউণ্ডেৰিজ বা সীমাহীনভাৱে সম্প্ৰসাৰণ কৰা। ইয়াৰ জৰিয়তে ভাৰতৰ ডিজিটেল উদ্ভাৱনৰ সামৰ্থ, পৰৱৰ্তি প্ৰজন্মৰ যোগাযোগ আৰু প্ৰযুক্তিচালিত বিকাশক প্ৰতিফলিত কৰাৰ প্ৰয়াস কৰা হৈছে। কালি আৰম্ভ হোৱা চাৰিদিনীয়া এই কাৰ্যসূচীত দূৰসংযোগ বিভাগ আৰু চেলুলাৰ অপাৰেটৰছ এছ'চিয়েছন অৰ ইণ্ডিয়াই যুটীয়াভাৱে আয়োজন কৰিছে।

এই কাৰ্যসূচীৰ জৰিয়তে উদ্ভাৱন আৰু পৰৱৰ্তি প্ৰজন্ম ডিজিটেল আন্তঃগাঁথনি, প্ৰযুক্তিচালিত অৰ্থনৈতিক বিকাশ, সৰ্বাত্মক ডিজিটেল প্ৰৱেশাধিকাৰ আৰু নিৰাপদ তথা স্থিতিস্থাপক ডিজিটেল পৰিৱেশ তন্ত্ৰৰ উন্নয়নত আলোকপাত কৰা হ'ব। আই এম চি-২০২৬য়ে প্ৰযুক্তি খণ্ডত কাম কৰি থকা বিশ্বৰ নেতৃবৃন্দ, নীতি নিৰ্ধাৰক, ঔদ্যোগিক বিশেষজ্ঞ, ষ্টাৰ্টআপছ, বিনিয়োগকাৰী আৰু ডিজিটেল পৰিৱেশতন্ত্ৰত কাম কৰিবলৈ আগ্ৰহী উদ্ভাৱকসকলক একত্ৰিত কৰিব। আই এম চিৰ এই দশম সংস্কৰণে প্ৰতিষ্ঠিত ৯টা খণ্ডক বিশেষকৈ 5G আৰু 6G, পৰৱৰ্তি প্ৰজন্ম কৃত্ৰিম বুদ্ধিমত্তা নেটৱৰ্কছ, ছেমি কণ্ডাক্টৰছ, চাইবাৰ সুৰক্ষা, কোৱাণ্টাম যোগাযোগ, মহাকাশ সম্পৰ্কীয় নেটৱৰ্ক, ঔদ্যোগিক পৰিৱৰ্তন আদি সমূহ সামৰি ল'ব। এই কাৰ্যসূচীয়ে ১০০ খন দেশৰ ডেৰ লাখতকৈও অধিক প্ৰতিনিধিক সামৰি লোৱাৰ লগতে ৫০০তকৈও অধিক অংশীদাৰ আৰু প্ৰদৰ্শক, ৬০০ ষ্টাৰ্টআপ আৰু ৯০০ চিন্তাবিদ তথা বিশেষজ্ঞই ভাগ ল'ব।

প্ৰধানমন্ত্ৰী মোদীয়ে ইণ্ডিয়া মোবাইল কংগ্ৰেছ ২০২৬ৰ পূৰ্বে নতুন দিল্লীৰ সেৰা তীৰ্থত গ্লোবেল ছিষ্টেম ফৰ মোবাইল কমিউনিকেচন এছ'চিয়েছন-জি এছ এম এ-ৰ ব'ৰ্ড সদস্যসকলৰ সৈতেও মত বিনিময় কৰে।

তেওঁ কয় যে প্ৰযুক্তি আৰু ডিজিটেল সেৱাসমূহ বিশেষকৈ গোলকীয় দক্ষিণৰ বাবে সহজ আৰু সুলভ হোৱাটো প্ৰয়োজন। তেওঁ লগতে ডিজিটেল বিভাজন দূৰ কৰাৰ বাবে প্ৰতিজন লোকে যাতে প্ৰযুক্তিৰ সুবিধা লাভ কৰিব পাৰে এই বিষয়তো গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ সম্ভাৱনাক বিশেষকৈ উন্নয়নশীল দেশসমূহৰ বাবে পৰিৱৰ্তনশীল শক্তি বুলি উল্লেখ কৰে। ইপিনে ডিজিটেল আৰু চাইবাৰ জালিয়াতিৰ বৰ্ধিত প্ৰত্যাহ্বানৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ইয়াৰ বাবে প্ৰযুক্তিচালিত সমাধানৰ প্ৰয়োজন। তেওঁ প্ৰযুক্তিৰ ব্যৱহাৰকাৰীসকলৰ বাবে সম্ভাব্য ভুৱা ফোনকলৰ বিষয়ে সজাগতামূলক বাৰ্তা প্ৰেৰণৰ পৰামৰ্শ দিয়ে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰকাৰৰ মুৰব্বী হিচাপে ২৫ বছৰীয়া সেৱা সম্পূৰ্ণ কৰা হেতু তেওঁক জনোৱা শুভেচ্ছাৰ বাবে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক ধন্যবাদ জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে,, দেশৰ যি প্ৰগতি সেয়া, কোটি কোটি ভাৰতীয়ই আত্মবিশ্বাস আৰু দৃঢ়তাৰে দেশৰ পৰিৱৰ্তনত অংশগ্ৰহণ কৰিবলৈ বাছি লোৱাৰ বাবেই সম্ভৱ হৈছে।

প্ৰধানমন্ত্ৰীয়ে লগতে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনক তেওঁৰ উষ্ম শুভেচ্ছাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে দেশৰ সমগ্ৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ বাবে থকা উপ-ৰাষ্ট্ৰপতিগৰাকীৰ পৰ্যবেক্ষণ অত্যন্ত উৎসাহজনক। শ্ৰীমোদীয়ে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দকো তেওঁৰ শুভেচ্ছাৰ বাবে ধন্যবাদ জনায়।

০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি ৫৭ সংখ্যক সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে অধ্যক্ষতা কৰাৰ লগতে জি এছ্ টি সম্পৰ্কীয় বিবাদসমূহ সমাধান কৰাৰ উদ্দেশ্যে নীতি সংস্কাৰ বিষয়ক আলোচনা আৰু কৰ সংগ্ৰহ ব্যৱস্থা উন্নত কৰা সন্দৰ্ভত আলোচনা কৰিব। বিত্ত মন্ত্ৰালয়ে জনোৱা মতে চৰকাৰে জি এছ্ টি ব্যৱস্থা সংস্কাৰৰ বাবে ৫টা পৰিকল্পনাৰ প্ৰস্তাৱ দিছে। এই সংস্কাৰৰ জৰিয়তে জি এছ্ টি ব্যৱস্থা সহজ আৰু স্বয়ংক্ৰিয় কৰি তোলাৰ লক্ষ্য লোৱা হৈছে।

০০০০০

ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু আন ১৩ খন অৰ্থ ব্যৱস্থাৰ দেশসমূহৰ সৈতে যুটীয়া মন্ত্ৰী পৰ্যায়ৰ বিবৃতিত স্বাক্ষৰ কৰিছে। ইয়াৰ গাঁথনিগত অতিৰিক্ত ক্ষমতা আৰু উৎপাদনৰ সমস্যাৰ সমাধান কৰা তথা গোলকীয় বজাৰক প্ৰভাৱিত কৰা প্ৰতিকূল বজাৰ নীতিসমূহ ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে। ১৫ খন অংশীদাৰ অৰ্থ ব্যৱস্থাৰ দেশে স্বাক্ষৰ কৰা এই যুটীয়া মন্ত্ৰী পৰ্যায়ৰ বিবৃতিটো কালি জাৰি কৰা হয়। উল্লেখযোগ্য যে যোৱা ৩০ ছেপ্তেম্বৰ আৰু ১ অক্টোবৰত আমেৰিকাৰ উইচকনচিনৰ মিলৱাকি চহৰত জি-২০ দেশসমূহৰ বাণিজ্য মন্ত্ৰীসকলৰ মাজত হোৱা আলোচনাৰ অন্তত এই বিবৃতিটো কালি প্ৰকাশ কৰা হয়। বিবৃতিত স্বাক্ষৰ কৰা দেশসমূহৰ ভিতৰত আৰ্জেণ্টিনা, অষ্ট্ৰেলিয়া, কানাডা, ইউৰোপীয় সংঘ, ফ্ৰান্স, জাৰ্মানী, ভাৰত, ইটালী, জাপান, দক্ষিণ কোৰিয়া, মেক্সিকো, পোলেণ্ড, তুৰস্ক, ব্ৰিটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ আছে।

০০০০০

নতুন দিল্লীত আজি মহিলা আৰু শিশু বিকাশ বিষয়ক বিভাগীয় সন্মিলন অনুষ্ঠিত হ'ব। সমবায় যুক্তৰাজ্যবাদ শক্তিশালী কৰা, ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰৰ সামূহিক মালিকীস্বত্ব লাভ কৰা আৰু কেন্দ্ৰ-ৰাজ্যৰ ঘনিষ্ঠ সহযোগিতাৰ জৰিয়তে ফলাফল ত্বৰান্বিত কৰাৰ বাবে এয়া হ'ল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চিন্তা অনুসৰি আয়োজিত বিভাগীয় শীৰ্ষ সন্মিলনৰ শৃংখলাৰ দ্বিতীয়খন শীৰ্ষ সন্মিলন। এই দুদিনীয়া শীৰ্ষ সন্মিলনত উন্নত পুষ্টি আৰু প্ৰাথমিক শিক্ষাৰ বাবে অংগনবাড়ী কেন্দ্ৰসমূহৰ পুনৰ গঠন, সহজে বিপদৰ আশংকা থকা শিশুসকলৰ সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰা, প্ৰাতিষ্ঠানিক আৰু আইনগত পৰিকাঠামোৰ ফলপ্ৰসূ ৰূপায়ণৰ জৰিয়তে মহিলাৰ সুৰক্ষা, প্ৰধান আঁচনিসমূহৰ সুফল বৃদ্ধিৰ জৰিয়তে মহিলা সবলীকৰণকে ধৰি চাৰিটা বিষয়ত গুৰুত্ব আৰোপ কৰা হ'ব। শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰা ৰাজ্যসমূহে তেওঁলোকৰ অভিজ্ঞতা, প্ৰত্যাহ্বান আৰু তেওঁলোকে গ্ৰহণ কৰা বিভিন্ন ফলপ্ৰসূ পদ্ধতিসমূহৰ বিষয়ে মত বিনিময় কৰিব।

০০০০০

আজি ৯৪ সংখ্যক ভাৰতীয় বায়ুসেনা দিৱস। এইবেলি বায়ুসেনা দিৱস উদযাপনৰ মূল বিষয় হৈছে 'ভাৰতীয় বায়ুসেনা- নিৰ্ভুল, অভেদ্য আৰু নিখুঁত'। বায়ুসেনা দিৱসৰ প্ৰাকক্ষণত আকাশবাণীৰ জৰিয়তে দিয়া বাৰ্তাত চীফ অৱ দি এয়াৰ ষ্টাফ এয়াৰ চীফ মাৰ্শ্বাল অমৰ প্ৰীত সিঙে কয় যে ভাৰতীয় বায়ুসেনা সজাগতা আৰু দৃঢ় দায়বদ্ধতাৰে দেশক ৰক্ষা কৰিবলৈ সদায় সাজু। তেওঁ কয় যে, যোৱা বছৰ অপাৰেচন সিন্দূৰে সংহত বিমান অভিযানৰ গুৰুত্বপূৰ্ণ শক্তিক পুনৰ দৃঢ় কৰি তুলিছিল আৰু দেশৰ সাৰ্বভৌমত্ব ৰক্ষাৰ ক্ষমতা প্ৰদৰ্শন কৰিছিল। তেওঁ কয় যে চলিত বৰ্ষত বায়ুশক্তি অনুশীলন, বিভিন্ন দ্বিপাক্ষিক অনুশীলন, দ্ৰোনাথন আৰু চলি থকা ঐতিহাসিক বহুপাক্ষিক বিমান অনুশীলন তৰংগ্ শক্তি আদিৰ জৰিয়তে ভাৰতীয় বায়ুসেনাই নিজৰ যুদ্ধৰ প্ৰস্তুতি সক্ৰিয়ভাৱে পৰীক্ষা কৰি আছে । এয়াৰ চীফ মাৰ্শ্বালগৰাকীয়ে লগতে কয় যে যুদ্ধৰ প্ৰস্তুতিৰ বাহিৰেও ভাৰতীয় বায়ুসেনাই সংকটৰ সময়ত ৰাষ্ট্ৰ আৰু মানৱতাৰ সেৱাৰ বাবে সদায় আগবাঢ়ি আহিছে। ...... **বাইট**

০০০০০

ইৰাণ সমৰ্থিত সশস্ত্ৰ সংগঠন হুথীয়ে ছৌদি আৰৱৰ দুটা বিমানবন্দৰত কৰা আক্ৰমণত তিনিজন লোকৰ মৃত্যু হোৱাৰ লগতে ৩০ জনতকৈ অধিক লোক আহত হোৱাৰ পাছতে পশ্চিম এছিয়াত উত্তেজনা বৃদ্ধি পাইছে। আভা বিমানবন্দৰত কালি হোৱা আক্ৰমণত মৰক্কো আৰু আলজেৰিয়াৰ বাসিন্দা নিহত হোৱাৰ লগতে ২৮ জন লোক আহত হয়। ইপিনে কিং খালিদ বিমানবন্দৰত সংঘটিত আক্ৰমণত চুডানৰ এজন নাগৰিক নিহত হোৱাৰ লগতে আন ৮ জন লোক আহত

০০০০০

ইজিপ্তৰ কাইৰোত আজিৰে পৰা চলিত বৰ্ষৰ আই এছ এছ এফ শ্যুটিং বিশ্বকাপ অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনত অলিম্পিকৰ পদক বিজয়ী স্বপ্নীল কুছালে আৰু সৰবজোৎ সিঙকে ধৰি ভাৰতৰ হৈ এটা ৩৫ জনীয়া দলে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

এয়া হ'ল ৰাইফল আৰু পিষ্টল শ্যুটাৰৰ বাবে বছৰৰ চতুৰ্থ আৰু অন্তিমখন আই এছ এছ এফ বিশ্বকাপ। ইজিপ্তৰ আন্তঃৰাষ্ট্ৰীয় অলিম্পিক চহৰৰ শ্যুটিং ৰেঞ্জত ১০ অক্টোবৰৰ পৰা

১৫ অক্টোবৰলৈ পদক লাভৰ বাবে শিতানসমূহ অনুষ্ঠিত কৰা হ'ব। কাইৰোলৈ যোৱা ৩৫ গৰাকী ভাৰতীয় শ্যুটাৰৰ ভিতৰত ১১ গৰাকীয়ে আছুতীয়াকৈ "ৰেংকিং পইণ্ট অনলি" শিতানত ভাগ ল'ব।

নেশ্যনেল ৰাইফল এছ'চিয়েশ্যন অৱ ইণ্ডিয়াই নতুন ছিজনৰ বাবে খেলুৱৈ বাছি উলিওৱাৰ পৰিকল্পনাৰ সৈতে সংগতি ৰাখি খেলুৱৈৰ পৰিৱৰ্তন নীতিৰ আধাৰত আইচি-নাগোয়াত সদ্য সমাপ্ত এছিয়ান গেমছ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা দলটোৰ ঠাইত কাইৰোলৈ বুলি সম্পূৰ্ণ পৃথক দল এটা প্ৰেৰণ কৰিছে।

ooooo

সমাপ্ত